# NSD NEWS BULLETIN
# AKASHVANI, GUWAHATI
# 0000000000

**Date :** 21-06-2025
**Time :** 19-10 hrs

ASSAMESE EVENING BULLETIN

**::::::::::::::::::::::::::::::::::::::::::::::::::::::::::**

HEADLINE

১। সম্প্ৰতি বিশ্বৰ বিভিন্ন অংশত দেখা দিয়া ক্ৰমবৰ্ধমান উৎকণ্ঠা, অস্থিৰতা আৰু অশান্তিৰ দৰে পৰিস্থিতিসমূহৰ মাজত যোগে শান্তিৰ পথ দেখুৱায় বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে।

২। ভাৰতবৰ্ষৰ লগতে বিশ্বৰ আন বিভিন্ন দেশতো আজি আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস পালন কৰা হৈছে।

৩। অসামৰিক বিমান পৰিবহন সঞ্চালকালয়ে নিয়ম উলংঘা কৰাৰ অভিযোগত এয়াৰ ইণ্ডিয়াৰ তিনিগৰাকী বিষয়াক বিমানৰ চালক দলৰ সদস্যৰ কৰ্তব্যৰ সূচী প্ৰস্তুত কৰাৰ দায়িত্বৰ পৰা ততালিকে কাৰ্যকৰী হোৱাকৈ অপসাৰণ কৰিছে।

৪। ইজৰাইল আৰু ইৰাণৰ মাজত উদ্ভৱ হোৱা সংঘৰ্ষৰ আজি নৱম দিনাও দুয়োখন দেশে পৰস্পৰৰ বিৰুদ্ধে বিমান আক্ৰমণ অব্যাহত ৰাখিছে। *আৰু*

৫। ভাৰতে ইংলেণ্ডৰ বিৰুদ্ধে লিডছৰ হেডিংলিত অনুষ্ঠিত এণ্ডাৰ্ছন-টেণ্ডুলকাৰ ট্ৰফী টেষ্ট ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেলৰ প্ৰথম ইনিংছত ৪৭১ ৰান সংগ্ৰহ কৰিছে।

ooooo

সম্প্ৰতি বিশ্বৰ বিভিন্ন অংশত দেখা দিয়া ক্ৰমবৰ্ধমান উৎকণ্ঠা, অস্থিৰতা আৰু অশান্তিৰ দৰে পৰিস্থিতিসমূহৰ মাজত যোগে শান্তিৰ পথ দেখুৱায় বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে। বিশাখাপট্টনমত আয়োজিত একাদশ আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ অনুষ্ঠানত নেতৃত্ব প্ৰদান কৰি প্ৰধানমন্ত্ৰীয়ে আজি কয়, যে এইবেলি ২১ জুনৰ দিনটোত সমগ্ৰ বিশ্ববাসী একাদশবাৰলৈ যোগাভ্যাসৰ বাবে ঐক্যবদ্ধ হৈছে। এই কাৰ্যই সমগ্ৰ বিশ্বৰ জনসাধাৰণ সুন্দৰভাৱে একেদল হোৱাটোক সূচাইছে বুলিও তেওঁ মত প্ৰকাশ কৰে। তেওঁ কয় যে মানৱ সমাজক শ্বাস গ্ৰহণ, ভাৰসাম্য ৰক্ষা আৰু সামগ্ৰিকভাৱে এটা শক্তি হিচাপে পুনৰ অৱতীৰ্ণ হোৱাৰ ক্ষেত্ৰত যোগ, পৰিবৰ্তনৰ বাহক হিচাপে বিবেচিত হৈছে।

তেওঁ কয় যে এইবেলি যোগ দিৱসৰ মূলমন্ত্ৰ, এখন বিশ্বৰ বাবে আৰু এটা স্বাস্থ্যৰ বাবে যোগৰ বিষয়টোৱে বৰ্তমানৰ আৰু ভৱিষ্যতৰ প্ৰজন্মৰসমূহৰ বাবে সুখী তথা স্বাস্থ্যকৰ ভৱিষ্যতৰ দিন নিশ্চিত কৰাৰ উদ্দেশ্যে বিশ্ববাসী কেনেদৰে একগোট হৈছে সেই কথাটোকেই সূচায়। সমগ্ৰ বিশ্বত যোগক অধিক প্ৰসাৰিত কৰাৰ উদ্দেশ্যে ভাৰতে যোগ বিজ্ঞানক আধুনিক গৱেষণাৰ জৰিয়তে শক্তিশালী কৰি তোলাৰ প্ৰয়াস কৰিছে বুলি উল্লেখ কৰি তেওঁ লগতে কয় যে দেশৰ আগশাৰীৰ চিকিৎসা প্ৰতিষ্ঠানসমূহো সম্প্ৰতি যোগ বিষয়ৰ গৱেষণাত ব্ৰতী হৈছে। যোগৰ বৈজ্ঞানিক দিশটোক আধুনিক চিকিৎসা ব্যৱস্থাৰ সৈতে জড়িত কৰোৱাৰ বাবে চেষ্টা চলাই আহিছে বুলি উল্লেখ কৰি শ্ৰীমোদীয়ে

কয় যে এয়া কেৱল এটা প্ৰস্তাৱৰ প্ৰতি সমৰ্থনেই নহয়, বৰঞ্চ মানৱৰ কল্যাণৰ বাবে ই সামূহিক প্ৰচেষ্টা হিচাপে পৰিগণিত হৈছে।

দেশৰ আন অংশতো আজি একাদশ আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস উৎসাহ-উদ্দীপনাৰে পালন কৰা হৈছে। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ডেৰাডুনত আয়োজিত এটা অনুষ্ঠানত আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰি যোগৰ উপকাৰিতাৰ বিষয়ে উল্লেখ কৰে। লোকসভাৰ অধ্যক্ষ ওম বিৰলাই আজি সংসদ চৌহদত আয়োজিত যোগ দিৱসৰ অনুষ্ঠানত গুৰি ধৰে। তেওঁ কয়, যে যোগাভ্যাসে শৰীৰ, মন আৰু আত্মাৰ মিলনৰ শক্তিশালী আহিলা হিচাপে কাম কৰে আৰু ব্যক্তিৰ সামগ্ৰিক বিকাশত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। তেওঁ কয়, যে বিশ্বৰ বিভিন্ন প্ৰান্তৰ লাখ লাখ লোকে যোগাভ্যাসৰ অনুষ্ঠানত অংশগ্ৰহণ কৰিছে আৰু এই প্ৰাচীন পৰম্পৰাক আকোৱালি লৈছে।

একেদৰে কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানে নতুন দিল্লীৰ পুছা চৌহদত ৰাজহুৱা যোগাভ্যাস অনুষ্ঠানত ভাগ লয়।

ৰাষ্ট্ৰীয় ৰাজধানীস্থিত আকাশবাণীৰ মুখ্য কাৰ্যালয়তো আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ সৈতে সংগতি ৰাখি আজি বিশেষ যোগ কাৰ্যসূচীৰ আয়োজন কৰা হয়। আকাশবাণীৰ সঞ্চালক প্ৰধান ড০ প্ৰজ্ঞা পালিৱাল গৌড়, অতিৰিক্ত সঞ্চালক প্ৰধান এল মধু নাগ আৰু অন্যান্য বিষয়া কৰ্মচাৰীসকলে এই অনুষ্ঠানত অংশগ্ৰহণ কৰি যোগাভ্যাস কৰে।

০০০০০

ভাৰতবৰ্ষৰ লগতে বিশ্বৰ আন বিভিন্ন দেশতো আজি আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস পালন কৰা হৈছে। ব্ৰিটেইনত লণ্ডনৰ বিভিন্ন গুৰুত্বপূৰ্ণ স্থানৰ লগতে অক্সফৰ্ড আৰু কেমব্ৰিজ বিশ্ববিদ্যালকে ধৰি ভালেমান স্থানত, নিউয়ৰ্কৰ টাইম স্কোৱেৰ, জাপানৰ টকিঅ'ত অৱস্থিত ছুকিজী হংৱান্জি বৌদ্ধ মঠ আদিকে ধৰি ভিন ভিন দেশৰ ভালেমান স্থানত সংশ্লিষ্ট দেশসমূহৰ শীৰ্ষস্থানীয় নেতৃবগৰ অংশগ্ৰহণেৰে এই দিৱস পালন কৰা হয়।

ৰিয়াধত থকা ভাৰতীয় দূতাবাসে ৰাজকুমাৰ ফেইজল বিন ফহদ ক্ৰীড়া চহৰ ষ্টেডিয়ামত আজি উৎসাহ-উদ্দীপনাৰে একাদশ আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস পালন কৰা হয়। এই অনুষ্ঠানত চৌদি আৰবৰ ৫০০ ৰো অধিক যোগ সাধকে অংশগ্ৰহণ কৰে। অনুষ্ঠানত ব্যক্তিগত কল্যাণ আৰু বিশ্বজনীন সদ্ভাৱৰ প্ৰসাৰত গুৰুত্ব আৰোপ কৰা হয়। আবু ধাবিত থকা ভাৰতীয় দূতাবাসতো আজি আবু ধাবি ক্ৰীড়া পৰিষদৰ সহযোগত যোগ দিৱস পালন কৰা হয়। ভাৰতৰ আগশাৰীৰ টেনিছ তাৰকা ছানিয়া মিৰ্জা আৰু সংযুক্ত আৰব আমীৰি ৰাষ্ট্ৰৰ বাবে থকা ভাৰতীয় ৰাষ্ট্ৰদূত সঞ্জয় সুদীৰে এই অনুষ্ঠানত ভাগ লয়।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মহিলা আৰু শিশু কল্যাণ নীতিত যোগৰ বিষয়টো অন্তৰ্ভুক্তিত আলোকপাত কৰা এটা প্ৰবন্ধ ছেয়াৰ কৰিছে। মহিলা আৰু শিশু বিকাশ মন্ত্ৰী অন্নপূৰ্ণ দেৱীয়ে সামাজিক মাধ্যমযোগে দিয়া এটা পোষ্টৰ উত্তৰত প্ৰধানমন্ত্ৰীয়ে আজি কয়, যে মহিলা আৰু শিশু বিকাশ নীতিত যোগৰ অন্তৰ্ভুক্তিয়ে তৃণমূল পৰ্যায়ৰ স্বাস্থ্য আৰু কল্যাণ ব্যৱস্থা সুদৃঢ় কৰি তুলিছে।

অন্নপূৰ্ণা দেৱীয়ে তেওঁৰ প্ৰবন্ধত গৰ্ভধাৰণৰ পূৰ্বে আৰু পাছত যোগক আকোৱালি ল'লে স্বাস্থ্যজনিত সমস্যাসমূহ ফলপ্ৰসূভাৱে ৰোধ কৰিব পৰা যায়। তেওঁ কয়, যে মুদ্ৰা আৰু ধ্যান প্ৰযুক্তিৰে সমৃদ্ধ প্ৰাক-প্ৰসব যোগৰ অভ্যাসে গৰ্ভাৱস্থাৰ অস্বস্তি দূৰ কৰাত সহায় কৰে আৰু বিষ-বেদনা হ্ৰাস কৰে।

০০০০০

দেশৰ অসামৰিক বিমান পৰিৱহন সঞ্চালকালয়ে এয়াৰ ইণ্ডিয়াৰ তিনিজন বিষয়াক নিয়ম উলংঘনৰ অভিযোগত কৰ্মচাৰীৰ সময়সূচী প্ৰস্তুত আৰু ৰষ্টাৰিং সম্পৰ্কীয় দায়িত্বৰ পৰা তাৎক্ষণিকভাৱে কাৰ্যকৰী হোৱাকৈ অপসাৰণৰ নিৰ্দেশ দিছে। সঞ্চালকালয়ে লগতে বিষয়াকেইজনৰ বিৰুদ্ধে আভ্যন্তৰীণভাৱে অনুশাসনমূলক তদন্ত কৰি দহ দিনৰ ভিতৰত ইয়াৰ প্ৰতিবেদন দিবলৈ নিৰ্দেশ দিছে।

এটা বিবৃতিত সঞ্চালকালয়ে কয় যে এই বিষয়াসকল কাৰ্য্যকৰী ত্ৰুটিৰ বাবে দায়ী আৰু বিগত বহুসময় ধৰি গুৰুতৰভাৱে নিয়ম উলংঘনত জড়িত আছিল। সঞ্চালকালয়ে লগতে উল্লেখ কৰিছে যে এই বিষয়াসকলে অননুমোদন নোহোৱাকৈ আৰু অনুপযুক্ত ক্ৰু পেয়াৰিং, অনুজ্ঞাপত্ৰ উলংঘন আৰু বিমান পৰিৱহনৰ সময়সূচী প্ৰট 'কল আৰু নিৰীক্ষণত নিয়ম অমান্য কৰি আহিছিল।

০০০০০

ইজৰাইল আৰু ইৰাণৰ মাজত উদ্ভৱ হোৱা সংঘৰ্ষৰ আজি নৱম দিনাও দুয়োখন দেশে পৰস্পৰৰ বিৰুদ্ধে বিমান আক্ৰমণ অব্যাহত ৰাখিছে। যোৱা নিশা ইজৰাইলে ইৰাণৰ পাৰমানৱিক আন্তঃগাঁথনিত আক্ৰমণ চলায়। ইজৰাইলৰ সেনাই প্ৰকাশ কৰা মতে দেশখনে মধ্য ইৰাণৰ ক্ষেপনাস্ত্ৰ ঘাটি আৰু আন্তঃগাঁথনিত এলানি ক্ষেপনাস্ত্ৰ আক্ৰমণ সংঘটিত কৰিছে। একেদৰে ইৰাণৰ চৰকাৰী সংবাদ মাধমেও ইস্ফাহানত থকা এটা পাৰমাণৱিক আন্তগাঠনিৰ স্থানত ইজৰাইলে আজি নিচেই পুৱাতে আক্ৰমণ কৰা বুলি প্ৰকাশ কৰে। ইৰানৰ চৰকাৰী সংবাদমাধ্যমে প্ৰকাশ কৰা মতে ইজৰাইলে আক্ৰমণ আৰম্ভ কৰাৰে পৰা দেশখনত কমেও ৪৩০ জন অসামৰিক লোকে প্ৰাণ হেৰুৱাইছে আৰু চাৰে তিনি হাজাৰ লোক আহত হৈছে। ইয়াৰ বিপৰীতে ইজৰাইলী কৰ্তৃপক্ষই ইৰানৰ ক্ষেপনাস্ত্ৰ আক্ৰমণত ২৪ জন লোকে প্ৰাণ হেৰুওৱা বুলি প্ৰকাশ কৰিছে। ইপিনে, আমেৰিকা যুক্তৰাষ্ট্ৰই কৈছে যে, ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পে এই যুদ্ধত প্ৰত্যক্ষভাৱে জড়িত হোৱাৰ বিষয়ে দুই-তিনি সপ্তাহত সিদ্ধান্ত গ্ৰহণ কৰিব।

০০০০০

মধ্য আফ্ৰিকাৰ কংগোত কালি এটা কোল্টন খনি ভাঙি পৰাৰ ফলত ২০ জনৰো অধিক লোকৰ মৃত্যু হৈছে। দেশখনৰ চৰকাৰে প্ৰকাশ কৰা অনুসৰি উত্তৰ কিভু প্ৰদেশৰ মাছিছি অঞ্চলত অৱস্থিত খনিটোৰ কালি প্ৰায় ১৯ গৰাকীৰ মৃতদেহ উদ্ধাৰ কৰাৰ লগতে ১০০ জন লোকক উদ্ধাৰ কৰা হৈছিল। খনিটোৰ ভাঙি পৰাৰ কাৰণ এতিয়ালৈকে জানিব পৰা হোৱা নাই। সংবাদ মাধ্যমৰ বাতৰি অনুসৰি বৰ্তমানেও খনিটোত উদ্ধাৰ অভিযান চলি থকাৰ পৰিপ্ৰেক্ষিতত মৃত্যু হোৱা লোকৰ সংখ্যা সঠিককৈ প্ৰকাশ হোৱা নাই। উল্লেখযোগ্য যে বিশ্বৰ অন্যতম বৃহৎ কোল্টনৰ ভাণ্ডাৰ থকা ৰুবায়া ২০২৪ চনৰ এপ্ৰিল মাহৰ পৰা M23 সশস্ত্ৰ গোটৰ নিয়ন্ত্ৰণত আছে।

ooooo

ভাৰতে ইংলেণ্ডৰ বিৰুদ্ধে লিডছৰ হেডিংলিত অনুষ্ঠিত এণ্ডাৰ্ছন-টেণ্ডুলকাৰ ট্ৰফী টেষ্ট ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেলৰ প্ৰথম ইনিংছত ৪৭১ ৰান সংগ্ৰহ কৰিছে।

ইয়াৰ পূৰ্বে ভাৰতে তিনিটা উইকেটৰ বিনিময়ত কালি সংগ্ৰহ কৰা ৩৫৯ ৰান পৰা আজি দ্বিতীয় দিনৰ খেল আৰম্ভ কৰি ৪৭১ ৰানত আটাইকেইটা উইকেট হেৰুৱায়। প্ৰথমে বেট ধৰিবলৈ আমন্ত্ৰণ লাভ কৰা ভাৰতে অপেনাৰ য়শস্বী জয়ছোৱাল, অধিনায়ক শুভমন গীল আৰু উপ-অধিনায়ক ঋষভ পণ্টৰ আকৰ্ষনীয় শতকৰ সহায়ত খেলখনত আধিপত্য বিস্তাৰ কৰিবলৈ সমৰ্থ হয়, যদিও ঘৰুৱা দল ইংলেণ্ডে কম সময়তে উইকেট দখল কৰি আলহী দলটোক অনুসৰণ কৰিব পৰা স্কোৰত সীমিত ৰাখে। ঋষভ পণ্টে আজিৰ শতকেৰে এম এছ ধোনীক চেৰ পেলাই টেষ্ট ক্ৰিকেটৰ ইতিহাসত সৰ্বাধিক শতক অৰ্জন কৰা ভাৰতীয় উইকেটকীপাৰ ৰূপে পৰিগণিত হয়। ঋষভ পণ্টে বৰ্তমানলৈকে ৭টা শতক অৰ্জন কৰিছে। ইংলেণ্ডৰ হৈ বেন ষ্টকছ আৰু জোছ টাঙে ৪ টাকৈ উইকেট দখল কৰে।

ooooo

ভাৰতৰ মহিলা মল্লযোদ্ধাসকলে ১০ টা শাখাৰ প্ৰতিটোতে পদক জয় কৰি ভিয়েটনামৰ ভুং টাঅ'ত অনুষ্ঠিত ২৩ বছৰ অনুৰ্ধৰ এচিয়ান চেম্পিয়নশ্বিপৰ দলীয় খিতাপ অৰ্জন কৰিছে। ভাৰতে এই প্ৰতিযোগিতাত চাৰিটা সোণ আৰু পাঁচটা ৰূপৰ পদক লাভ কৰিছে। প্ৰিয়াংশ্বি প্ৰজাপতে ৫০ কিলোগ্ৰাম, ৰিনাই ৫৫ কিলোগ্ৰাম, সৃষ্টিয়ে ৬৮ কিলোগ্ৰাম আৰু প্ৰিয়াই ৭৬ কিলোগ্ৰাম ওজন শাখাত সোণৰ পদক অৰ্জন কৰি দেশৰ হৈ গৌৰৱ কঢ়িয়াই আনে। ভাৰতৰ ৫ গৰাকী মহিলা মল্লযোদ্ধাই প্ৰতিযোগিতাত দ্বিতীয় স্থান লাভ কৰে।

ooooo

ঃঃ সমাপ্ত ঃঃ